অসমৰ ইতিহাসত ইয়াকে ‘মোৱামৰীয়া বিদ্ৰোহ’ বুলি অভিহিত কৰা হয়। প্ৰজাৰ ঐক্যবদ্ধ শক্তি আৰু একতাৰ বান্ধোন সুদৃঢ় কৰি নিৰ্মাণ কৰা বৃহৎ ভেটিয়ে হৈছে বৰভেটি। অসমীয়া পৰম্পৰাত ‘বৰ’ বিশেষণৰ প্ৰয়োগ গাম্ভীৰ্যপূৰ্ণ আৰু সন্মানজনক অৰ্থত প্ৰয়োগ হোৱা দেখা যায়। শংকৰ-মাধৱ গুৰুদুজনাৰ গীতসমূহক ‘বৰগীত’ অভিধা, তেনেদৰে আন বহুতো শব্দ যেনে—বৰদেউতা, বৰফুকন, বৰবৰুৱা, বৰদলৈ, বৰআলি, বৰঘৰ, বৰপূজাৰী, বৰমা, বৰাৰ পো আদি ‘বৰ’ বিশেষণযুক্ত...


## ঐতিহ্যপূৰ্ণ বৰভেটিত মানৱতাৰ জয়গান

# ‘ন-লগোৱা’ ৰাজ্যিক উৎসৱ হওক



## কুশল কুমাৰ দাস

যোৰহাট নগৰৰ উত্তৰ-পশ্চিম দিশত মালৌ পথাৰৰ ‘বৰভেটি’ৰ মায়ামৰা সমাজৰ জাতীয়তাবাদৰ ইতিহাস বিজড়িত হৈ আছে। ‘বৰ’ বিশেষণৰ সৈতে ‘ভেটি’ বিশেষ্য পদ লগ লাগি ওখ ভেটি বা ‘বৰভেটি’। এই ‘বৰভেটি’ৰ ধাৰণা আৰু পৰিসৰ ক্ৰমান্বয়ে বাঢ়িছে। আজিৰ পৰা প্ৰায় চাৰিশ বছৰমান আগতে আহোম স্বৰ্গদেউ লক্ষ্মীসিংহৰ ৰাজত্ব কালৰ ৰাজবিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ অত্যাচাৰত অতিষ্ঠ হৈ ডেকা মহন্ত সপ্তভুজে বিদ্ৰোহৰ সূচনা কৰিছিল। ইতিহাস বিজড়িত কথাখিনি হৈছে— ১৭৬৮ খ্ৰীষ্টাব্দত সুদূৰ শদিয়াৰ পৰা মানাহলৈকে থকা আঠ লাখ নৈব্ৰৈ হাজাৰ ভক্তই মালৌৰ ‘খুটীয়াপোতা’ সত্ৰত বা ‘পলাশবগুৰি শিঙৰীয়া জানৰ কাণ’ সত্ৰত সমৱেত হয় আৰু মালৌপথাৰৰ দ অঞ্চলত এচপৰাকৈ মাটিৰে নিৰ্মাণ কৰিছিল বৰভেটি। ডেকা সত্ৰাধিকাৰ সপ্তভূজৰ উদ্যোগত ৰাঘ-মৰাণৰ সেনাপতিত্বত বিদ্ৰোহ ঘোষণা কৰি ১৭৬৯ চনত ৰজা লক্ষ্মীসিংহ আৰু ৰাজবিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ সৈন্যক পৰাস্ত কৰি আহোমৰ ৰাজধানী ৰংপুৰ দখল কৰে। অসমৰ ইতিহাসত ইয়াকে ‘মোৱামৰীয়া বিদ্ৰোহ’ বুলি অভিহিত কৰা হয়। প্ৰজাৰ ঐক্যবদ্ধ শক্তি আৰু একতাৰ বান্ধোন সুদৃঢ় কৰি নিৰ্মাণ কৰা বৃহৎ ভেটিয়ে হৈছে বৰভেটি। অসমীয়া পৰম্পৰাত ‘বৰ’ বিশেষণৰ প্ৰয়োগ গাম্ভীৰ্যপূৰ্ণ আৰু সন্মানজনক অৰ্থত প্ৰয়োগ হোৱা দেখা যায়। শংকৰ-মাধৱ গুৰুদুজনাৰ গীতসমূহক ‘বৰগীত’ অভিধা, তেনেদৰে আন বহুতো শব্দ যেনে—বৰদেউতা, বৰফুকন, বৰবৰুৱা, বৰদলৈ, বৰআলি, বৰঘৰ, বৰপূজাৰী, বৰমা, বৰাৰ পো আদি ‘বৰ’ বিশেষণযুক্ত শব্দৰাজিয়ে অসমীয়া ভাষাৰো অভিজাত বিশেষত্ব। ‘বৰভেটি’ৰ লগত জড়িত হৈ আছে অসমীয়া জাতিৰ ঐতিহাসিক স্বাভিমান, একতাৰ শক্তিশালী নিদৰ্শন, গৌৰৱ, অহংকাৰ আৰু সাৰ্বভৌম সাংস্কৃতিক ঐতিহ্য। এনে স্থানতে কৃষকৰ উৎপাদিত শস্য আগবঢ়োৱা ন-লগোৱা পৰম্পৰাগত উৎসৱ হৈ আহিছে। যি উৎসৱত ভিন্ন জাতি-বৰ্ণ-ভাষাৰ সন্মিলিত আনন্দোৎসৱ। বৰভেটিত আছে নিপীড়িত, নিৰ্যাতিত, লাঞ্ছিত আৰু অপমানিত শিষ্য-প্ৰশিষ্যৰ মনৰ ক্ষোভ, গুৰু ঋণ পৰিশোধৰ সংকল্প আৰু বিদ্ৰোহৰ অগ্নিমন্ত্ৰ। ৰাজেশ্বৰ সিংহ আৰু লক্ষ্মীসিংহৰ দিনৰ ভক্ত- বৈষ্ণৱৰ সৈতে হোৱা মান-অপমানৰ কথাবোৰৰ চৰ্চাক সততে পৰিহাৰ কৰাটো মংগলজনক। কিন্তু যি পৰিঘটনাৰ ফলশ্ৰুতিত বৰভেটি নিৰ্মাণ হৈছিল আৰু সেই স্থানতে বছৰ বছৰ ধৰি আঘোণৰ প্ৰথম দেওবাৰত সন্মিলিতভাৱে ন-লগোৱা উৎসৱ গঢ় লৈ উঠাহে তাৎপৰ্যপূৰ্ণ। ৰাজ্যৰ ভিতৰতে ঐতিহ্য বহন কৰা এটা লেখত ল'বলগীয়া উৎসৱ যদিও বিভিন্ন ঠাইৰ মানুহে এই উৎসৱৰ কথা গমেই নাপায়। কাৰণ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান তথা সংগঠনসমূহে সমন্বয়ৰ কৃষিজীৱী সমাজৰ এই উৎসৱক বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ পাহৰিয়ে থাকে। বৰভেটি নিৰ্মাণৰ ইতিহাস সাধুকথাৰ দৰে লাগিব পাৰে, কাৰণ যি সময়ত শদিয়াৰ পৰা ধুবুৰীৰ ভক্তসকলে এচপৰাকৈ মাটি প্ৰদান কৰি এটা পাহাৰসদৃশ টিলা (ভেটি) নিৰ্মাণ কৰা সত্য দৃষ্টান্ত সজীৱ কৰি ৰখাটো উত্তৰ প্ৰজন্মৰ মৌলিক দায়িত্ব। তাৰেই চানেকি স্বৰূপ ন-লগোৱা পৰম্পৰাগত সাৰ্বজনীন জাতি-বৰ্ণ-ভাষাৰ সমন্বয়ক্ষেত্ৰ বৰভেটি। বৰভেটিত ন-লগোৱা পৰম্পৰা কেতিয়াৰ পৰা আৰম্ভ হয়? ইয়াৰ উত্তৰত বিভিন্ন মুখৰোচক কাহিনী নিশ্চয় আছে; প্ৰকৃত সত্য কেতিয়াও লুকাই নপৰে। লক্ষ লক্ষ ভক্তৰ পদধূলাৰ স্পৰ্শ আৰু মহত্ত্ব কেতিয়াও অথলে নাযায়। ওচৰ-পাঁজৰৰ লোকে পৰিত্যক্ত স্থান ৰূপে গণ্য কৰিছিল যদিও স্মৃতি বিজড়িত স্থানত কোনোৱে বন্তি এগছি আগবঢ়াই সেৱা জনাইছিল। গৰখীয়া ল'ৰাই গৰু চৰাইছিল, কৃষকে আঘোণ মাহৰ এটা বিশেষ দিনত নতুন ধানৰ ন-চাউল আৰু নিমখ আগবঢ়াইছিল। এটা সময়ত বিভিন্নজনৰ আগমনত বৰভেটি হৈ পৰিছিল ন-লগোৱাৰ পবিত্ৰ স্থান। এনেও বৰভেটিত ঐতিহাসিক মহত্ত্ব বিৰাজমান হৈ আছিল। নতুন প্ৰজন্মৰ বাবে ‘মোৱামৰীয়াসকল’ কোন? কথাষাৰ স্পষ্ট হোৱা দৰকাৰ। আহোম ৰাজত্ব কালত গোপালদেৱৰ শিষ্য অনিৰুদ্ধদেৱৰ ভক্তসকলক



আহোম ৰাজবংশই মায়ামৰা সম্প্ৰদায় বুলি অভিহিত কৰিছিল। শংকৰদেৱে জীৱনকালত ৰাজশক্তিক বিশ্বাসত লোৱা নাছিল; জীৱনৰ অন্তিম সময়ত কোচৰজাৰ আশ্ৰয়ত থকা সময়তো নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ক শৰণ দিয়া নাছিল। মাত্ৰ ৰজাৰ আগ্ৰহক সন্মান জনাই গুণমালা আৰু ৰামবিজয় অংকীয়া নাট ৰচনা কৰিছিল। তেনে বৈষ্ণৱ পন্থাৰ অনুগামী অনিৰুদ্ধদেৱৰ নাম-গুণ চৌদিশে বিয়পি পৰাত তেওঁক আহোম ৰজাই পৰীক্ষা কৰিবলৈ মাতি পঠিয়াইছিল। মুখবন্ধ কলহত কি আছে বুলি সুধিলত তেওঁ কালসৰ্প থকা বুলি কোৱাত ৰজাই কলহৰ মুখ খুলি চোৱাত সঁচাকৈয়ে সাপ দেখা পালে। তেতিয়াৰ পৰা অনিৰুদ্ধদেৱৰ অনুৰাগী শিষ্যসকলক মায়ামৰা আৰু পাছলৈ মোৱামৰীয়া সম্প্ৰদায় বুলি চিহ্নিত হ'ল। ‘শ্ৰীশ্ৰীঅনিৰুদ্ধৰ চৰিত পুথিত আছে— ‘দেখি মহাৰাজা পাছে হইয়া বিস্ময়। গোসাঁইক বোলন্ত শুনা বাপ মহোদয়।। তুমি সম নাহিকয় শ্ৰেষ্ঠ সাধুজন। শীঘ্ৰে মায়া সৰ্প গোট কৰা নিবাৰণ।। ১৬৩...মায়া সৰ্প সৃজি যাতো কৰিলা নিৰ্যান। এহি হেতু মায়ামৰা হৈবক আখ্যান।।১৬৫’[১]

অনিৰুদ্ধদেৱে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ ‘পুৰঞ্জয় আখ্যান’ আৰু পঞ্চম স্কন্ধৰ ভাঙনি কৰাৰ উপৰি ভক্তি মংগল ঘোষাত ৮০৫টা ভক্তি বিগলিত অনুৰাগ আৰু ব্যঞ্জনা বিদ্যমান, ১৮২টা গীত, টোটয়, ভটিমা আদি ৰচনা কৰাৰ উপৰি ‘নিজশাস্ত্ৰ’ নামৰ এখন গোপনীয় পুথিও প্ৰণয়ন কৰিছিল।’[২] এতিয়ালৈ ছপা আকাৰত পাঠ উদ্ধাৰ হোৱা নাই; কেৱল শৰণ-ভজন লোৱা ভক্তই চৰ্চা কৰে। ভক্তসকলে গ্ৰন্থখনৰ পৱিত্ৰতা ম্লান নপৰাকৈ ৰাখিছে। অনিৰুদ্ধদেৱ ৭৩ বছৰ বয়সত ১৫৪৮ শকত (১৬২৮ চনত)২৫ বছৰ ধৰি ধৰ্ম প্ৰচাৰ কৰাৰ অন্তত দেহান্ত হৈছিল। বংশ পৰম্পৰামতে পৰৱৰ্তী কালত অধিক সত্ৰ প্ৰতিষ্ঠা হৈছিল। নাহৰআতি সত্ৰ, দিনজয় সত্ৰ, পুৰণিমাটি, বৰবাম, টিফুক, গড়পাৰা, মদাৰখাত আদি সত্ৰৰ কথা উল্লেখ কৰিব পাৰি। ‘মায়া’ শব্দৰে বুজোৱা মোৱামৰীয়া বৈষ্ণৱ পন্থত মৰাণ, মটক, কৈৱৰ্ত, কোচ, কলিতা, বামুণ, আহোম আদি বিভিন্ন বৃত্তিৰ লোকৰ ন-লগোৱা উৎসৱৰ পৰিধি বৃদ্ধি পাইছে। বৰভেটিত আছে বিশুদ্ধ জাতীয়তাবোধ; লাখ লাখ ভক্তৰ ঐক্য শক্তিৰ নব্য সাংস্কৃতিক মহা মিলনৰ তীৰ্থস্থানৰূপে পৰিগণিত বৰভেটিত ন-লগোৱা উৎসৱ। ৰজাঘৰৰ চকু পৰক বা নপৰক সকলো দিশৰ পৰা নিৰ্দিষ্ট দিনত হিলদল ভাঙি আহি বৰভেটিত শুই থকা একতাৰ স্মৃতিক পুনৰবাৰ ৰোমন্থন কৰি অসমীয়া জাতিয়ে বছৰত এবাৰ আঘোণ মাহৰ প্ৰথম দেওবাৰত ন-লগোৱা পৰ্বৰে নিজৰ দেহ-মনত শক্তি সঞ্চয় কৰে। ন লাখ শিষ্যৰ একত্ৰিত সমাৱেশৰ ইতিহাসে প্ৰেৰণা যোগাই আহিছে ন-লগোৱা উৎসৱক। মালৌ পথাৰ বুকুত গায়ন-বায়নৰ একতাৰ জয়ধ্বনি সকলো ভক্তৰ ভক্তি বিগলিত ঐক্যতান। বৰভেটিৰ মূলমন্ত্ৰ হৈছে সংহতিৰ চালিকা শক্তি ন-লগোৱা উৎসৱে কৃষিজীৱী সমাজক একতাৰ বান্ধোনেৰে বান্ধ খুৱাই ৰাখে। এনে এক মহান সমন্বয়ৰ উৎসৱৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত ৰজাঘৰ-প্ৰজাঘৰৰ কাণ্ডাৰীসকলে বিশেষ গুৰুত্ব দিয়া দেখা নাযায় বা মন-কাণ নিদিয়ে। বিশ্বৰ বুকুত কৃষিভিত্তিক উৎসৱ দেশে দেশে আছে যদিও ইতিহাসক নিদৰ্শন হিচাপে লৈ বৰভেটিৰ প্ৰাংগণত গায়ন-বায়ন সমন্বিতে দৃষ্টিনন্দন ৰূপত ন-ধানৰ প্ৰসাদ আৰু নিমখ আগবঢ়োৱা অপূৰ্ব নিদৰ্শন অভূতপূৰ্ব। গায়ন-বায়নৰ নামৰ ধ্বনিয়ে আকাশ-বতাহ কঁপাই তোলে। গছ-বিৰিখ, চৰাই-চিৰিকটি, হাবি-জংঘলেৰে বেৰি থকা ঐতিহাসিক বৰভেটিৰ অকলশৰীয়া বেদনা বেছিদিন নাথাকিল; কৃষিজীৱী বৈষ্ণৱ ভক্তই আঘোণৰ প্ৰথম দেওবাৰত ন-লগোৱা উৎসৱ পাতি ইতিহাসৰ সাক্ষীস্বৰূপ জাতীয়তাবাদক জীয়াই ৰাখিলে। জাতীয়তাবাদেৰে সৰ্বসাধাৰণ লোকৰ অস্তিত্বক সুৰক্ষা দিব পাৰে, বৰভেটিৰ ইতিহাস ৰাইজৰ সাহস লগতে সচেতন অসমীয়াই পুনৰ বৰভেটিৰ শৌৰ্য-বীৰ্যৰ প্ৰেৰণাদায়ক ইতিহাস বিচাৰি পালে। মোৱামৰীয়া বিদ্ৰোহৰ ইতিহাস কেতিয়াও সুখদায়ক নাছিল। ৰজাঘৰৰ সৈতে মোৱামৰীয়া সংঘাতে দুটা দশকৰ অধিক সময় কাল অসমক অস্থিৰ কৰি ৰাখিছিল। মোৱামৰীয়া জাতীয়তাবাদৰ লগতে আহোম ৰাজত্বৰ প্ৰশাসনিক ব্যৱস্থা দুৰ্বল হোৱাৰ সময়তে বদন বৰফুকনে গৃহকন্দলৰ প্ৰতিকাৰ বিচাৰি ব্ৰহ্মদেশৰ মান সেনাৰ সহায় লোৱাৰ পৰিপেক্ষিতত মানে তিনিবাৰকৈ অসম আক্ৰমণ কৰি অসমৰ ৰাজহাড় ভাঙি পেলোৱাৰ উপক্ৰম হৈছিল। মোৱামৰীয়া সংগ্ৰাম, মানৰ আক্ৰমণ, ব্ৰিটিছৰ শাসনে পৰাধীন ভাৰত তথা অসমৰ বুকুত ৰাজনৈতিক, আৰ্থসামজিক দিশত স্বতন্ত্ৰতা নাইকিয়া হৈ পৰিছিল। দেশে স্বাধীনতা পোৱাৰ পৰাই আৰম্ভ হ'ল গণতান্ত্ৰিক গণৰাজ্যৰ সমাজবাদ। ‘বৰভেটি’ৰ বুকুতো জাতীয়তাবাদ নিতাল মাৰি আছিল যদিও মানুহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, তেজৰ সিৰাই সিৰাই বৈ আছিল প্ৰজন্মৰ পাছত প্ৰজন্মলৈ। ইতিহাস হেৰাই নাযায়; প্ৰয়োজনত সাৰ পায়, সাহস যোগাই প্ৰেৰণা দিয়ে। তেনে প্ৰয়োজনত খেতিয়কৰ কষ্টোপাৰ্জিত ধানমুঠিৰ এমুঠি চাউল বৰভেটিত আগবঢ়োৱাৰ দিহা কৰা হ'ল। কাৰণ সেই স্মৰণীয় স্থানতে আছে অতীতৰ আঠ লক্ষ নৈব্ৰৈ হাজাৰ ভক্তৰ সমাজবাদৰ স্বাক্ষৰ স্বৰূপ জাত্যাভিমান। ন-লগোৱা পৰম্পৰা আৰু স্বাভিমান অৰ্থপূৰ্ণ ৰূপত ভক্তৰ সমাগথলী হৈ পৰিল। বৰভেটিৰ ন-লগোৱা উৎসৱক জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে মনোগ্ৰাহী কৰি তুলিবলৈ ৰাজ্যিক উৎসৱ ৰূপে স্বিকৃতি নিদিয়াটো আচৰিত যেন লাগে। বহিৰাগতৰ ধৰ্মীয় উৎসৱসমূহক যিধৰণে গুৰুত্ব দিয়া হয়, তাকে চাই ন-লগোৱা উৎসৱে স্বিকৃতি নোপোৱাটো পৰিতাপৰ কথা। অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিসমূহক প্ৰথমে অধিক গুৰুত্ব আৰু ৰক্ষণাবেক্ষণ দিয়াৰ পাছতে বহিৰাগতৰ চিন্তা কৰিব লাগে। অন্যথা আজিৰ অসমীয়াই অসমৰ মাটিতে নিজে ভগনীয়া হ'ব।

■ ফ'ন: ৯১০১১২২৬৩৮